
# যোগ্যতাহীন ওস্তাদ


এদিন-
ওস্তাদ জ্ঞানী, তুমি মোৰ চিকাৰৰ ভ্ৰমণটোক এক অৰ্থনৈতিক অভিযানলৈ পৰিণত কৰিলা!
মহাৰাজ, মই মাত্ৰ বিনম্ৰভাৱে মোৰ অভিজ্ঞতা আৰু জ্ঞানহে ভাগ-বতৰা কৰিছোঁ।
ওস্তাদজী, মই মছলাৰ ব্যৱসায়ত ধন বিনিয়োগ কৰোঁনে?
ওহো, মছলাৰ ব্যৱসায়ৰ কোনো ভৱিষ্যত নাই, বন্ধু।
সঁচানে?! কিন্তু মই লাভ বৰ বেছি হয় বুলি শুনিছোঁ।
মহাৰাজ, মোৰ যাদুকৰী শিলগুটিয়ে মিছা কথা নকয়। আপোনাৰ ধন 'শ্বেড ইনফ্ৰাষ্ট্ৰাকচাৰ ফাণ্ড' বা 'আইৰণ-ফৰ-লাইফ'-ত ৰখাটো বুদ্ধিমানৰ কাম হ'ব।
আপুনি মোক অনুমতি দিলে মই আপোনাৰ ধন বিনিয়োগ কৰিম। কোনো অতিৰিক্ত মাচুল নোলোৱাকৈ!
ধন্যবাদ, ওস্তাদজী, তোমাক যদি মই আগতেই লগ পালোঁহেতেন।
আপোনাৰ ধন সুৰক্ষিত কৰিবলৈ এতিয়াও দেৰি হোৱা নাই।
যাদুকৰী কিটিপ আৰু কৌশল... আঁচনি নহয়, কেলেংকাৰী যেনেই লাগিছে।


ওস্তাদজী, আপুনি কোনখন স্কুলৰ পৰা অৰ্থনীতিৰ শিক্ষা লাভ কৰিছিল ?
মন্ত্ৰীজী, তান্ত্ৰিকসকলে মোক এক ভৱিষ্যদৰ্শনৰ ঐশ্বৰিক শক্তি প্ৰদান কৰিছে। ইয়াৰ ফলতেই মই নিখুঁতভাৱে লাভ আৰু লোকচানৰ ভৱিষ্যতবাণী কৰিব পাৰোঁ।
আপোনাৰ প্ৰতিভা সঁচাকৈয়ে বিৰল! অৱশ্যে আমাৰ বিত্ত মন্ত্ৰালয়ৰ সভাত আপোনাক কেতিয়াও দেখা নাই।
অ', মই এজন চৰকাৰী সদস্য নহয়, এজন স্বতন্ত্ৰ পৰামৰ্শদাতাহে।
গতিকে, বিত্তীয় পৰামৰ্শ দিব পৰাকৈ আপোনাৰ অৰ্হতা বা চৰকাৰী মৰ্যদা নাই।
মন্ত্ৰীজী, মই সংখ্যাৰ যাদুকৰ! আপুনি মোক যিকোনো কথা সুধিব পাৰে...!
বাৰু, এইখন অৰণ্যত কিমানটা মহ আছে ক'ব পাৰিবনে ?
চেতেপ
এইটো কেনেকুৱা অৰ্থহীন প্ৰশ্ন ?!
এই প্ৰশ্নৰ সঠিক উত্তৰ কোনেও দিব নোৱাৰে... ওস্তাদ জ্ঞানীয়েও নোৱাৰে।
মহাৰাজ, মই আপোনাক মহৰ সঠিক সংখ্যাটো কম, যদি আপুনি মোক ১০০ টা সোণৰ মুদ্ৰা পুৰস্কাৰ দিয়ে।
এয়া, লোৱা। এতিয়া মোক কোৱা।
এই অৰণ্যত ৮৭,৫৬,৯৪৩ টা মহ আছে।




*ওস্তাদজীৰ দৰে বহু প্ৰৱঞ্চকে সঠিক অৰ্হতা, অনুজ্ঞাপত্ৰ বা পঞ্জীয়ন নোহোৱাকৈ অনলাইনত বিত্তীয় পৰামৰ্শ আগবঢ়ায়, ফলত বিনিয়োগকাৰী বিভ্ৰান্ত হয় বা প্ৰৱঞ্চনামূলক আঁচনিৰ কবলত পৰে। মনত ৰাখিব যে কোনো ব্যক্তিৰ পৰামৰ্শক বিশ্বাস কৰাৰ আগতে সদায় তেওঁৰ যোগ্যতা পৰীক্ষা কৰিব লাগে। সজাগ আৰু সচেতন হৈ 'প্ৰৱঞ্চনা প্ৰতিৰোধ কৰক'!*



# অনুশীলন

আপোনাক এক বিত্তীয় পৰিকল্পনাত সহায় কৰিবলৈ তিনিজন বিনিয়োগ পৰামৰ্শদাতাই আপোনাৰ সৈতে যোগাযোগ কৰিছে। অৱশ্যে ইয়াৰে এজনহে বিশ্বাসযোগ্য আৰু কেলেংকাৰীমুক্ত লেনদেন নিশ্চিত কৰিবলৈ সক্ষম হ'ব। কোনজন অনুমান কৰিব পাৰিবনে?







**শ্ৰীপিযুষ**

- এক আগশাৰীৰ বিনিয়োগ সংস্থাৰ মেনেজাৰ বুলি দাবী কৰিছে
- পিছত তেওঁৰ SEBI পঞ্জীয়নৰ সবিশেষ ভাগ-বতৰা কৰাৰ প্ৰতিশ্ৰুতি দিছে
- কেৱল ‘সীমিত অফাৰ’ চলি থকাৰ সময়ত উপলব্ধ হোৱা আকৰ্ষণীয় আঁচনিসমূহৰ বিষয়ে জনায়
- খৰখেদাকৈ কাম কৰিব খোজে যাতে আপুনি এনে অফাৰ নেহেৰুৱায়

**সুমন শৰ্মা**

- আপোনাৰ অঞ্চলত বিত্তীয় পৰামৰ্শদাতা হিচাপে কাম কৰে
- বিনিয়োগৰ ক্ষেত্ৰত ২০ বছৰৰ অভিজ্ঞতা থকা বুলি দাবী কৰে যদিও SEBI পঞ্জীয়নভুক্ত নহয়
- কোনো চৰকাৰী ৱেবছাইটত উল্লেখ নথকা আঁচনিৰ বিষয়ে প্ৰচাৰ কৰে
- আপোনাৰ অনুগ্ৰহ লাভ কৰিবলৈ অবাঞ্ছিত প্ৰশংসা কৰে আৰু প্ৰতিশ্ৰুতি দিয়ে

**ৰামু কাকা**

- এক বিনিয়োগ পৰামৰ্শকাৰী প্ৰতিষ্ঠানত কাম কৰে
- নিজৰ আইডি কাৰ্ড, লগতে SEBI পঞ্জীয়নৰ সবিশেষ দেখুৱায়
- আপোনাৰ ব্যক্তিগত আৰু আৰ্থিক লক্ষ্যৰ বিষয়ে আলোচনা কৰে
- অবাস্তৱ লাভ নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি নিদিয়ে

**উত্তৰ:** হয়, সেইজন ৰামু কাকাই। প্ৰামাণিক পৰামৰ্শদাতাসকলে সদায় নিজৰ যোগ্যতাৰ তথ্য শ্বেয়াৰ কৰে, যেতিয়া ভুৱা ‘গুৰু’সকলে প্ৰশংসা আৰু অন্যান্য কৌশল ব্যৱহাৰ কৰি প্ৰবঞ্চনামূলক আঁচনি বিক্ৰী কৰিবলৈ চেষ্টা কৰে।